PGAS SI 01

অসমীয়া সাহিত্যৰ বুৰঞ্জী

(আদিৰ পৰা মধ্য যুগলৈ)

প্রথম ষাণ্মাসিক

অসমীয়া

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° মালিনী গোস্বামী, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° উপেন ৰাভা হাকাচাম, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° খগেশ সেন ডেকা, (অৱসপ্রাপ্ত) সহযোগী অধ্যাপক, পূব কামৰূপ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১	ড° দীপাঞ্জলি দাস গোস্বামী, কটন মহাবিদ্যালয়, গুৱাহাটী
২, ৩ আৰু ৪	ড° প্রফুল্ল কুমাৰ নাথ, গুৱাহাটী বিশ্ববিদ্যালয়
৫	ড° প্রণিতা বর্মন, আর্য্য বিদ্যাপীঠ মহাবিদ্যালয়, গুৱাহাটী
৬ আৰু ৭	অতুল চন্দ্র দাস, এছ. বি. এম. এছ. মহাবিদ্যালয়, শুৱালকুছি
৮	বসন্ত বৰা, ননৈ মহাবিদ্যালয়, নগাঁও
৯	ড° হৰ কুমাৰ নাথ, দুধনৈ বিদ্যাপীঠ মহাবিদ্যালয়, গোৱালপাৰা
১০	জোনমণি গগৈ, গৱেষিকা, আধুনিক ভাষা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
১১ আৰু ১৪	ড° ৰুমী চৌধুৰী, গৱেষিকা, গুৱাহাটী বিশ্ববিদ্যালয়
১২	ড° কনেশ্বৰ বৰুৱা, গোসাঁইগাঁও মহাবিদ্যালয়, গোসাঁইগাঁও
১৩	ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন, ড° মৃণাল জ্যোতি গোস্বামী
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
(অধ্যায় ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, ১১, ১২ আৰু ১৩)
ড° মৃণাল জ্যোতি গোস্বামী (অধ্যায় ১০)

প্রথম প্রকাশ ঃ মে', ২০১৭, দ্বিতীয় প্রকাশ ঃ মে', ২০১৮

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International) : http.//creativecommons.org/licenses/by-nc-sa/4.0.

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭
উপমুখ্য কার্যালয় ঃ হাউচ্‌ফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬; Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (আদিৰ পৰা মধ্য যুগলৈ)

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ প্ৰথম ষাণ্মাসিকৰ সংশোধিত আৰু পৰিবৰ্ধিত প্ৰথম পাঠ্যবিষয়, অৰ্থাৎ অসমীয়া পাঠ্যক্ৰমৰ প্ৰথম পাঠ্যবিষয়। এই পাঠ্যবিষয়ৰ শিৰোনাম 'অসমীয়া সাহিত্যৰ বুৰঞ্জী' (আদিৰ পৰা মধ্যযুগলৈ)। পাঠ্যবিষয়ৰ শিৰোনামটোৱেই এই পাঠ্যবিষয়ত কি কি অন্তৰ্ভুক্ত কৰা হৈছে তাৰ আভাস দিয়ে। মাধব মেনন আয়োগৰ পৰামৰ্শ ভিত্তিক এইদৰে সংস্কাৰ কৰা আৰু পৰিবৰ্ধিত ৰূপ প্ৰদান কৰা অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ এই প্ৰথম খণ্ডটোৱে শিক্ষাৰ্থীক বিস্তৃত পৰিসৰত অসমীয়া ভাষা আৰু সাহিত্যৰ উদ্ধৱকাল, ইয়াৰ প্ৰত্নস্তৰ আৰু ক্ৰমবিকাশৰ আৰম্ভণিৰ স্তৰকেইটাৰ পৰিচয় প্ৰদান কৰিব। সীমিত পৃষ্ঠাত 'হাতী মাৰি ভুৰুকাত ভৰোৱাৰ' দৰে এই বিশেষ পাঠ্যবিষয়খনতো আমি অসমীয়া সাহিত্যৰ আদি যুগৰ পৰা মধ্যযুগলৈকে এটা বিস্তৃত কালৰ সাহিত্যৰ ইতিহাসৰ লিপিবদ্ধ ৰূপটোক দূৰৱৰ্তী শিক্ষাৰ শিক্ষাৰ্থীয়ে আয়ত্ত কৰি নিজৰ ভাষা আৰু সাহিত্যৰ ঐশ্বৰ্যশালী পৰম্পৰাৰ কথা উপলব্ধি কৰাৰ সুযোগ প্ৰদান কৰিবলৈ প্ৰয়াস কৰিছো।

পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়টোৰ শিৰোনাম 'প্ৰাচীন অসমীয়া সাহিত্যৰ ৰূপ'। ইয়াত অসমীয়া ভাষা-সাহিত্যৰ সৃষ্টি পূৰ্বে থকা শিলালেখ, তাম্ৰলিপি আদিৰ লেখ আৰু বৰ্ণনাৰ মাজেদি অসমীয়া ভাষা-সাহিত্যৰ সৃষ্টিপৰ্বৰ প্ৰাৰম্ভিক ক্ষণৰ কিছু আভাস দিয়া হৈছে। দ্বিতীয় অধ্যায় 'উদ্ভৱ কালৰ অসমীয়া সাহিত্য'ত লোক সাহিত্য, মন্ত্ৰ সাহিত্য আৰু ডাকৰ বচনৰ মাজেদি মৌখিক স্তৰত অসমীয়া সাহিত্যই যি স্থিতি লাভ কৰিছিল তাৰ লেখ পাব। তৃতীয় আৰু চতুৰ্থ অধ্যায়ৰ শিৰোনাম ক্ৰমে 'প্ৰত্ন আৰু মিশ্ৰ অসমীয়া সাহিত্য' (১) আৰু (২)। ইয়াত অসমীয়া সাহিত্যৰ এটা গুৰুত্বপূৰ্ণ স্তৰৰ ৰচনাৰাজি, যেনে— *চৰ্যাপদ*, *শ্ৰীকৃষ্ণ কীৰ্ত্তন*, *শূন্য পুৰাণ* আৰু নাথ সাহিত্যৰ আলোচনা সন্নিৱিষ্ট হৈছে। এই ৰচনাৰাজিৰ ভিতৰত বহুসংখ্যক ৰচনাত প্ৰত্ন বাংলা ভাষাৰ লক্ষণ ৰক্ষিত আছে বুলি বাংলা পণ্ডিত-ভাষাবিদসকলে মতামত আগবঢ়াইছে। পিচে মাগধী প্ৰাকৃত ভাষা-সাহিত্যৰ ক্ৰমবিকাশৰ স্তৰ অধ্যয়ন কৰি নিৰপেক্ষ বিচাৰৰ আধাৰত ক'ব পাৰি যে উল্লেখ কৰি অহা ৰচনাৰাজিত ফুটি উঠা ভাষাতাত্ত্বিক লক্ষণসমূহ মাগধী প্ৰাকৃতৰ পৰা উদ্ভূত হোৱা পূৰ্ব ভাৰতীয় ভাষাসমূহৰ প্ৰায় আটাইকেইটিতে দৃশ্যমান উমৈহতীয়া বৈশিষ্ট্য বা লক্ষণ আছিল। সেইফালৰ পৰা বিচাৰ কৰিলে *চৰ্যাপদ*, *শ্ৰীকৃষ্ণ কীৰ্ত্তন*, *শূন্য পুৰাণ* আদিৰ ভাষাত ফুটি উঠা বৈশিষ্ট্য অসমীয়া আৰু বাংলাৰ প্ৰত্ন ৰূপত থকা উমৈহতীয়া সাধাৰণ বৈশিষ্ট্যৰূপে আখ্যা দিব পৰা যায়। ষষ্ঠ, সপ্তম আৰু অষ্টম অধ্যায়টোত 'প্ৰাক্ শঙ্কৰী যুগ'ৰ সাহিত্যৰ আলোচনা আছে। অধ্যায়কেইটিক ক্ৰমে— শঙ্কৰী যুগৰ অসমীয়া সাহিত্য (১), (২) আৰু (৩) এইদৰে ভাগ কৰি মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱ তথা অনন্ত কন্দলি আৰু ৰাম সৰস্বতীৰ সাহিত্যকৃতিৰ আলোচনা আগবঢ়োৱা হৈছে। নৱম অধ্যায়ত শঙ্কৰী যুগৰ অন্যান্য সাহিত্যিকসকলৰ আলোচনা সন্নিৱিষ্ট হৈছে। দশম অধ্যায়ত 'অসমীয়া পাঁচালী সাহিত্য'ৰ আলোচনাত পাঁচালী কবি দুৰ্গাবৰ কায়স্থ, পীতাম্বৰ দ্বিজ, মনকৰ, সুকবি নাৰায়ণদেৱ আৰু ষষ্ঠীবৰৰ ৰচনাৰাজিৰ মূল্যায়ন কৰিবলৈ প্ৰয়াস কৰা হৈছে। একাদশ অধ্যায়ৰ শিৰোনাম 'শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য ঃ সাধাৰণ পৰিচয়', দ্বাদশ অধ্যায়ত 'চৰিত সাহিত্য', ত্ৰয়োদশ অধ্যায়ত 'বুৰঞ্জী' আৰু 'ব্যৱহাৰিক সাহিত্য'ৰ আলোচনা সন্নিৱিষ্ট হৈছে। চতুৰ্দশ অধ্যায়ত 'শঙ্কৰোত্তৰ যুগৰ অন্যান্য সাহিত্য কৃতি' সন্নিৱিষ্ট কৰা হৈছে। এইদৰে এটা ধাৰাবাহিক ক্ৰমত আৰম্ভণিৰ পৰা মধ্যযুগৰ শেষ প্ৰান্তলৈকে এক বিস্তৃত সময়ৰ সাহিত্যৰ ক্ৰমবিকাশৰ ইতিহাস এই পাঠ্যবিষয়ত সন্নিৱিষ্ট কৰা হৈছে। অসমীয়া সাহিত্যৰ ইতিহাস জনাৰ প্ৰতি ঔৎসুক্য থকা শিক্ষাৰ্থীসকলে বিদ্যায়তনিক দিশৰ লগতে সৃষ্টিমূলক ৰচনাৰ অধ্যয়ন আৰু চৰ্চাৰ ক্ষেত্ৰত এই পাঠ্যৰ অন্তৰ্গত সমলসমূহে কিছু দিক্ নিৰ্দেশনা নিদিয়াকৈ নাথাকে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্ৰগতিৰ খতিয়ান'ত সন্নিৱিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্ৰশ্নবোৰৰ উত্তৰসমূহ

লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

		নম্বৰ বিভাজন	পৃষ্ঠা নং
অধ্যায় ১ ঃ	**প্ৰাচীন অসমীয়া সাহিত্যৰ ৰূপ**	৭	৭-১৬
	প্ৰাচীন অসমীয়া সাহিত্যৰ ৰূপ ঃপ্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰত্নস্তৰ, শিলালিপি, তাম্ৰলিপি আদি, শাসনাৱলী; প্ৰাচীন অসমীয়া সাহিত্যৰ বিষয়বস্তু, উপস্থাপন ৰীতি, বৰ্ণনা ৰীতি, শব্দ-প্ৰয়োগ ইত্যাদি		
অধ্যায় ২ ঃ	**উত্তৰ কালৰ অসমীয়া সাহিত্য**	৮	১৭-৪৩
	উত্তৰ কালৰ অসমীয়া ভাষা; অসমীয়া লোক-সাহিত্য ঃ মন্ত্ৰ-সাহিত্য, ইয়াৰ শ্ৰেণী বিভাজন আৰু বৈশিষ্ট্য, ডাকৰ বচন, ইয়াৰ পৰিচয় আৰু বিষয়বস্তু		
অধ্যায় ৩ ঃ	**প্ৰত্ন আৰু মিশ্ৰ অসমীয়া সাহিত্য (১)**	৮	৪৪-৭১
	প্ৰত্ন আৰু মিশ্ৰ অসমীয়া সাহিত্য ঃ চৰ্যাপদ, *শ্ৰীকৃষ্ণ কীৰ্ত্তন*		
অধ্যায় ৪ ঃ	**প্ৰত্ন আৰু মিশ্ৰ অসমীয়া সাহিত্য (২)**	৭	৭২-৯৯
	প্ৰত্ন আৰু মিশ্ৰ অসমীয়া সাহিত্য ঃ *শূন্য পুৰাণ*, নাথ সাহিত্য		
অধ্যায় ৫ ঃ	**প্ৰাক্-শঙ্কৰী যুগ**	৭	১০০-১২৫
	প্ৰাক্-শঙ্কৰী যুগৰ সাহিত্য আৰু সাহিত্যিকসকল ঃ হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, হৰিবৰ বিপ্ৰ, মাধৱ কন্দলি, ৰুদ্ৰ কন্দলি		
অধ্যায় ৬ ঃ	**শঙ্কৰী যুগৰ অসমীয়া সাহিত্য (১)**	৭	১২৬-১৪৫
	শঙ্কৰী যুগৰ সাহিত্য; শঙ্কৰদেৱ ঃ শঙ্কৰদেৱৰ সাহিত্যৰ বৈশিষ্ট্য, শঙ্কৰদেৱৰ কাব্য কৃতি, শঙ্কৰদেৱৰ ভক্তিতত্ত্বমূলক গ্ৰন্থ, শঙ্কৰদেৱৰ অনুবাদমূলক ৰচনা কৃতি, শঙ্কৰদেৱৰ অঙ্কীয়া নাটসমূহ, শঙ্কৰদেৱৰ গীতসমূহ, শঙ্কৰদেৱৰ নাম-প্ৰসঙ্গমূলক গ্ৰন্থ, শঙ্কৰদেৱৰ সাহিত্যৰ বিশ্লেষণ		
অধ্যায় ৭ ঃ	**শঙ্কৰী যুগৰ অসমীয়া সাহিত্য (২)**	৭	১৪৬-১৫৯
	মাধৱদেৱ ঃ মাধৱদেৱৰ আখ্যানমূলক ৰচনাসম্ভাৰ, মাধৱদেৱৰ তত্ত্বমূলক ৰচনাসম্ভাৰ, মাধৱদেৱৰ নাট্যসম্ভাৰ, মাধৱদেৱৰ গীতসমূহ		
অধ্যায় ৮ ঃ	**শঙ্কৰী যুগৰ অসমীয়া সাহিত্য (৩)**	৭	১৬০-১৬৯
	অনন্ত কন্দলি ঃ অনন্ত কন্দলিৰ কাব্য ৰচনাসমূহ, অনন্ত কন্দলিৰ অনুবাদ কৃতি; ৰাম সৰস্বতী ঃ ৰাম সৰস্বতীৰ মহাভাৰতৰ অনুবাদ, ৰাম সৰস্বতীৰ বধ কাব্যৰাজি, ৰাম সৰস্বতীৰ মহাভাৰতৰ বাহিৰে অন্য কাব্যৰ অনুবাদ, ৰাম সৰস্বতীৰ মহাভাৰতৰ কথাবস্তুৰ লগত সম্পৰ্কযুক্ত সুকীয়া কাব্য		
অধ্যায় ৯ ঃ	**শঙ্কৰী যুগৰ অন্যান্য সাহিত্যিকসকল**	৭	১৭০-১৮৫
	শঙ্কৰী যুগৰ অন্যান্য সাহিত্যিকসকল ঃ সাৰ্বভৌম ভট্টাচাৰ্য্য, কংসাৰি কায়স্থ, শ্ৰীধৰ কন্দলি, ৰত্নাকৰ কন্দলি, ৰত্নাকৰ মিশ্ৰ, নাৰায়ণ দাস ঠাকুৰ আতা, চান্দসাই, দামোদৰদেৱ, হৰিদেৱ		
অধ্যায় ১০ ঃ	**অসমীয়া পাঁচালী সাহিত্য**	৭	১৮৬-২০৬
	পাঁচালী সাহিত্য; পাঁচালী কবিসকল ঃ দুৰ্গাবৰ কায়স্থ, পীতাম্বৰ দ্বিজ, মনকৰ, সুকবি নাৰায়ণদেৱ, ষষ্ঠীবৰ		

অধ্যায় ১১ ঃ **শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য ঃ সাধাৰণ পৰিচয়** ৭ ২০৭-২২০

শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য ঃ সাধাৰণ পৰিচয়; শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য; শঙ্কৰোত্তৰ যুগৰ সাহিত্যিকসকল ঃ ভট্টদেৱ, ৰামচৰণ ঠাকুৰ, গোপাল আতা, অনিৰুদ্ধদেৱ, পুৰুষোত্তম ঠাকুৰ, বৰযদুমণিদেৱ, শ্রীৰাম আতা, ভাগৱত মিশ্র, গোবিন্দ মিশ্র, ভাগৱতাচার্য, গোপাল মিশ্র

অধ্যায় ১২ ঃ **চৰিত সাহিত্য** ৭ ২২১-২৩৮

চৰিত সাহিত্য - সাধাৰণ পৰিচয় ঃ অসমীয়া চৰিত সাহিত্যৰ উদ্ভৱ, অসমীয়া *চৰিত পুথিৰ* বৈশিষ্ট্য, অসমীয়া *চৰিত পুথিৰ* লেখকসকল

অধ্যায় ১৩ ঃ **বুৰঞ্জী আৰু ব্যৱহাৰিক সাহিত্য** ৭ ২৩৯-২৬৪

বুৰঞ্জী সাহিত্য - সাধাৰণ পৰিচয় ঃ অসমীয়া বুৰঞ্জী সাহিত্যৰ উদ্ভৱ, অসমীয়া বুৰঞ্জী সাহিত্যৰ বৈশিষ্ট্য, কেইখনমান অসমীয়া বুৰঞ্জী— অসম বুৰঞ্জী (১) ঃসুকুমাৰ মহন্তৰ ঘৰৰ পৰা উদ্ধাৰকৃত বুৰঞ্জী, অসম বুৰঞ্জী (২) ঃ আহোম ৰজা জয়ধ্বজ সিংহৰ দিনৰ পৰা গদাধৰ সিংহৰ দিনলৈ থকা বিৱৰণ; বুৰঞ্জী সাহিত্যৰ পোহৰত প্রতিভাত সমসাময়িক অসমীয়া সমাজ জীৱন; ব্যৱহাৰিক সাহিত্য

অধ্যায় ১৪ ঃ **শঙ্কৰোত্তৰ যুগৰ অন্যান্য সাহিত্য কৃতি** ৭ ২৬৫-২৭৪

শঙ্কৰোত্তৰ যুগৰ অন্যান্য সাহিত্যকৃতি ঃ শঙ্কৰোত্তৰ যুগৰ নাট্য সাহিত্য, ৰামায়ণী সাহিত্য, মহাভাৰতীয় সাহিত্য, পুৰাণ সাহিত্য, তান্ত্রিক আৰু শাক্ত সাহিত্য, চুফী সাহিত্য

প্রসঙ্গ পুথি ২৭৫-২৭৬